**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-09-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। সমগ্ৰ দেশৰ লগতে অসমতো স্বচ্ছতাই সেৱা অভিযান ২০২৪ আৰম্ভ।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজি অসমৰ এক লাখ তিনি হাজাৰ ৫৭৫ টা প্ৰধানমন্ত্ৰী আবাস যোজনাৰ নৱনিৰ্মিত গৃহত প্ৰৱেশ কাৰ্যসূচী। আঁচনিৰ দ্বিতীয় পৰ্যায়ত অসমলৈ অতিৰিক্ত এক লাখ ৭১ হাজাৰতকৈও অধিক গৃহৰ আৱণ্টন।

৩। অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অনিয়ম সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে দাখিল কৰা অভিযোগনামাৰ ভিত্তিত আজি বিশেষ ন্যায়াধীশৰ আদালতৰ ২৩ জন বিষয়াৰ বিৰুদ্ধে অভিযোগ গ্ৰহণ।

৪। দেশজুৰি আজি কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা বিশ্বখনিকৰ শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা পালন।

*আৰু*

৫। ভাৰতৰ অভিলেখসংখ্যক পঞ্চমবাৰৰ বাবে পুৰুষৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ অৰ্জন।

০০০০

সমগ্ৰ দেশতে আজি স্বচ্ছতাই সেৱা অভিযান ২০২৪ আৰম্ভ হৈছে। আকাশবাণী গুৱাহাটীয়েও আজিৰে পৰা স্বচ্ছতা সেৱা অভিযানৰ অধীনত চাফাই কাৰ্যসূচী ৰূপায়ণ কৰিছে। আজি পুৱাই গুৱাহাটী পৌৰ নিগমৰ উদ্যোগত মহানগৰীৰ গীতা মন্দিৰ চৌহদত **স্বচ্ছ আৰু সেউজ গুৱাহাটী** গঢ়ি তোলাৰ উদ্দেশ্যে আয়োজন কৰা অনুষ্ঠানত ৰাজ্যৰ গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহলে অংশগ্ৰহণ কৰে। ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ সকলো মন্ত্ৰালয়ে দেশজুৰি স্বচ্ছতাৰ বাবে বিভিন্ন কাৰ্যসূচী আয়োজন কৰিছে। এইবাৰৰ এই অভিযানৰ বিষয়বস্তু হৈছে **স্বভাৱ স্বচ্ছতা-সংস্কাৰ স্বচ্ছতা**। দেশৰ পৰ্যটনস্থলী, ৰাজহুৱা ভৱন, বাণিজ্যিক অঞ্চল, জলাশয়, চিৰিয়াখানা তথা ৰাজহুৱা প্ৰস্ৰাৱগাৰৰ দৰে বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে এই অভিযান অহা ২ অক্টোবৰলৈকে চলোৱা হ'ব।

উল্লেখযোগ্য যে, সমাজৰ ভিন্ন দৃষ্টিভংগীৰ আধাৰত তিনিটা মুখ্য দিশক সামৰি চলিত বৰ্ষৰ অভিযান আয়োজন কৰা হৈছে। এই দিশসমূহ হৈছে- স্বচ্ছতা বিশেষ গোটসমূহৰ বাবে শ্ৰমদান কাৰ্যসূচী, স্বচ্ছতাত জনসাধাৰণৰ অংশগ্ৰহণ আৰু ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ। এই অভিযানত দেশজুৰি নাগৰিকসকলকে ধৰি বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান, বেচৰকাৰী সংস্থা, উন্নয়নমূলক সংস্থা, স্থানীয় নগৰীয়া গোটসমূহ, পঞ্চায়ত তথা বিভিন্ন গোটে অংশগ্ৰহণ কৰিছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি আজি অসমৰ ১ লাখ ৩ হাজাৰ ৫৭৫ টা প্ৰধানমন্ত্ৰী আবাস যোজনাৰ নৱনিৰ্মিত গৃহত প্ৰৱেশ কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ অংশ হিচাপে মন্ত্ৰী বিমল বৰাই আজি টিংখাং সমষ্টিৰ ৰাজগড় গাঁও পঞ্চায়তত নৱনিৰ্মিত গৃহপ্ৰৱেশ অনুষ্ঠানত উপস্থিত থাকে। একেদৰে মন্ত্ৰী কেশৱ মহন্তই আজি কলিয়াবৰ উন্নয়ন খণ্ড আৰু পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ হিতাধিকাৰীসকলক বাসগৃহ নিৰ্মাণৰ বাবে অনুমোদন পত্ৰ বিতৰণৰ শুভাৰম্ভ কৰে। এই আঁচনিৰ দ্বাৰা দুয়োটা উন্নয়ন খণ্ডত ৪৮২ টা পৰিয়াল উপকৃত হ'ব। ইফালে, এই আঁচনিৰ দ্বিতীয় পৰ্যায়ত অসমলৈ অতিৰিক্ত এক লাখ ৭১ হাজাৰ ৫৯৩টা গৃহ আৱণ্টন দিয়া হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দূৰদৰ্শী নেতৃত্বত এই আঁচনিৰ জৰিয়তে ৰাজ্যত উন্নয়ন আৰু সমৃদ্ধিৰ দিশত আগুৱাই নিয়াৰ বাবে চলোৱা প্ৰচেষ্টাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক কৃতজ্ঞতা জনাইছে। উল্লেখযোগ্য যে অসমত প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত চলিত বৰ্ষৰ ১৫ ছেপ্তেম্বৰ পৰ্যন্ত ১৯ লাখ ১৮ হাজাৰ ৭৮৭টা গৃহৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি ৭৪ সংখ্যক জন্মদিন উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা তথা বিভিন্নজনে নেতাগৰাকীলৈ শুভেচ্ছা জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সামাজিক মাধ্যমযোগে কৈছে প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ব্যক্তিত্ব আৰু কৰ্মৰাজিৰে দেশৰ সমৃদ্ধি আৰু মৰ্যাদা বৃদ্ধি কৰিছে। শ্ৰীমতী মুৰ্মুৱে লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দীৰ্ঘায়ু, সু-স্বাস্থ্য আৰু সুখী জীৱন কামনা কৰিছে। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে তেওঁৰ বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীৰ সু-স্বাস্থ্য কামনা কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অক্লান্ত কঠোৰ পৰিশ্ৰম, ধৈৰ্য্য আৰু দূৰদৃষ্টিৰে জনসাধাৰণৰ জীৱনলৈ ইতিবাচক পৰিৱৰ্তন আনিবলৈ সমৰ্থ হৈছে। ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অসমবাসীৰ হৈ প্ৰধানমন্ত্ৰীগৰাকীলৈ জন্মদিনৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে, বিশ্বৰ লোকপ্ৰিয় নেতাগৰাকীৰ মাৰ্গদৰ্শনেৰে উদ্বুদ্ধ হৈ সকলোৱে জনসাধাৰণৰ সেৱা কৰিবলৈ সাজু হৈ থকা উচিত। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি শ্ৰী মোদীৰ জন্ম দিনৰ লগত সংগতি ৰাখি ৰক্তদান কৰে।

তেওঁ কয় যে শ্ৰী মোদীয়ে দেশৰ গৌৰৱ-গৰিমা বৃদ্ধি কৰিছে আৰু বিশ্বত নতুন মৰ্যাদা প্ৰদান কৰিছে। শ্ৰী শ্বাহে প্ৰধানমন্ত্ৰীৰৰ সু-স্বাস্থ্য আৰু দীৰ্ঘ জীৱন কামনা কৰে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে আজি দেশৰ কোনো ঠাইতে আগতীয়া অনুমতি অবিহনে উচ্ছেদ কাৰ্য চলাব পৰা নাযাব বুলি এটা অন্তৰ্বৰ্তী আদেশ জাৰি কৰিছে। বিভিন্ন ৰাজ্যত এনেধৰণৰ উচ্ছেদ কাৰ্য সন্দৰ্ভত দাখিল হোৱা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে এই আদেশ জাৰি কৰে। অৱশ্যে ৰাজহুৱা পথ, পদপথ, ৰে'লপথ আৰু জলাশয়কে ধৰি অন্য ৰাজহুৱা স্থানত অবৈধ দখলৰ ক্ষেত্ৰত এই আদেশ প্ৰযোজ্য নহ'ব বুলি ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে। ন্যায়াধীশ ডি আৰ গাভাই আৰু কে ভি বিশ্বনাথনৰ আদালতে আজি এই ৰায় দিয়ে।

০০০০০০০

কেন্দ্ৰীয় বস্ত্ৰ দপ্তৰৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই আজি নতুন দিল্লীত বহনক্ষম বস্ত্ৰ সন্মিলনৰ তৃতীয় সংস্কৰণ উদ্বোধন কৰে। বস্ত্ৰক্ষেত্ৰত প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ লগতে ইয়াৰ বহনক্ষমতা বৃদ্ধিৰ সুবিধা প্ৰদানৰ বাবে এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত দিয়া ভাষণত শ্ৰী মাৰ্ঘেৰিটাই কৰ্মসংস্থাপন সৃষ্টিৰ ক্ষেত্ৰত বহনক্ষমতা মূল চাবি-কাঠী বুলি উল্লেখ কৰি বস্ত্ৰ উদ্যোগৰ বহনক্ষমতাৰ ক্ষেত্ৰত বিশ্বক নেতৃত্ব দিয়াৰ বাবে ভাৰতৰ লক্ষ্যৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰ আৰু অংশীদাৰী গোটসমূহে এইক্ষেত্ৰত ঐক্যবদ্ধ হৈ লক্ষ্যত উপনীত হোৱাৰ বাবে কাম-কাজ অব্যাহত ৰাখিছে। তেওঁ লগতে কয় যে ভাৰতে বহনক্ষমতাক আধুনিক জীৱনশৈলী হিচাপে গ্ৰহণ কৰিছে। এয়া কেৱল জনসাধাৰণৰ ৰুচিয়েই নহয়, প্ৰয়োজনো বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কয় যে ফাইভ এফৰ নীতি অৰ্থাৎ ফাৰ্ম, ফাইবাৰ, ফেক্টৰী, ফেচন আৰু ফ'ৰেন মাৰ্কেটৰ সহায়ত ভাৰতে সেউজ বস্ত্ৰ উদ্যোগ গঢ়ি তোলাৰ দিশে অগ্ৰসৰ হৈছে।

০০০০০০০

অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অনিয়ম সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে দাখিল কৰা অভিযোগনামাৰ ভিত্তিত আজি বিশেষ ন্যায়াধীশৰ আদালতে ২৩ জন অভিযুক্ত বিষয়াৰ বিৰুদ্ধে অভিযোগ গ্ৰহণ কৰে। আদালতে অভিযোগনামাত নাম অন্তৰ্ভুক্ত নোহোৱা ৯ জন বিষয়াৰ বিৰুদ্ধেও নিজাববীয়াকৈ অভিযোগ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে লোকসেৱা আয়োগৰ পৰীক্ষাত অনিয়ম সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনত নাম থকা ১৪ জন অভিযুক্ত বিষয়াৰ নাম বিশেষ তদন্তকাৰী গোটে অভিযোগনামাত সন্নিবিষ্ট কৰা নাছিল। বিশেষ আদালতে এই ১৪ জন বিষয়াৰ ভিতৰত ৯ জনৰ বিৰুদ্ধে নিজাববীয়াকৈ অভিযোগ গ্ৰহণ কৰে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জল সংৰক্ষণ, উন্নত ব্যৱস্থাপনা, উন্নয়ন আৰু বিতৰণৰ লক্ষ্যত উপনীত হোৱাৰ বাবে গণ আন্দোলন গঢ়ি তোলাৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি অষ্টম ভাৰত জল সপ্তাহ উদ্বোধন কৰি শ্ৰীমতী মুৰ্মুৱে এইদৰে প্ৰকাশ কৰে। তেওঁ জল সংৰক্ষণ আৰু বহন ক্ষমতাৰ বিষয়সমূহ দূৰ কৰাৰ বাবে ঐক্যবদ্ধ প্ৰচেষ্টাৰ আৱশ্যকতাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয় যে দেশত পানীৰ উৎস ব্যৱস্থাপনাৰ এনে বহুতো প্ৰাচীন প্ৰথা আছে, যিবোৰ আজিও প্ৰাসংগিক আৰু সেইসমূহ আধুনিক ৰূপত প্ৰয়োগৰ কৰা উচিত। ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে প্ৰাচীন ভাৰতীয় গ্ৰন্থসমূহত হাজাৰ বছৰ পূৰ্বৰ জল সংৰক্ষণৰ ব্যৱস্থা সম্পৰ্কে উল্লেখ আছে। আজাদী কা অমৃত মহোৎসৱৰ অংশ হিচাপে অমৃত সৰোবৰ খনন কৰাৰ লগতে বিভিন্ন জলাশয় পুনৰুজ্জীৱিত কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। জল জীৱন মিছনে গ্ৰহণ কৰা ৰূপান্তৰকামী ভূমিকাৰ বিষয়ে উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ ফলত সমগ্ৰ দেশত পানীৰ সম বিতৰণ ব্যৱস্থা উন্নীত হৈছে। এই অভিযানে সকলোৰে বাবে স্বচ্ছ আৰু বিশুদ্ধ পানী নিশ্চিত কৰিছে বুলি উল্লেখ কৰি তেওঁ গ্ৰামাঞ্চলৰ ৭৮ শতাংশ এলেকাত নলযোগে খোৱাপানী যোগান সম্পূৰ্ণ হোৱা কাৰ্যক লৈ সন্তোষ প্ৰকাশ কৰে। তেওঁ কয় যে এই ব্যৱস্থাই পানীৰ লভ্যতা নিশ্চিত কৰাৰ যাত্ৰাত উল্লেখনীয় পদক্ষেপ হিচাপে পৰিগণিত হৈছে। উল্লেখযোগ্য যে আজি আৰম্ভ হোৱা চাৰিদিনীয়া এই কাৰ্যসূচীত ৪০ খন ৰাষ্ট্ৰৰ ২০০ গৰাকী প্ৰতিনিধিকে ধৰি প্ৰায় ৪ হাজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত শতাধিক প্ৰদৰ্শনকাৰী আৰু ষ্টাৰ্টআপ গোটে জল খণ্ডত তেওঁলোকৰ ভাৰধাৰা প্ৰদৰ্শনীত আলোকপাত কৰিব।

০০০০০০০

আজি কাৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্ব খনিকৰ শ্ৰীশ্ৰী বিশ্বকৰ্মা পূজা। গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি এই পূজাৰ বাবে ব্যাপক আয়োজন পৰিলক্ষিত হৈছে। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠা, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাবেও বিশ্বকৰ্মা পূজা অনুষ্ঠিত কৰিছে। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাগাৰা নাম, নাম প্ৰসংগ আদিৰ আয়োজন কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনসাধাৰণলৈ বিশ্বকৰ্মা পূজাৰ ওলগ জনোৱাৰ লগতে উন্নত আৰু আত্মনিৰ্ভৰ ভাৰতৰ সংকল্প পূৰণত তেওঁলোকে অভূতপূৰ্ব অৱদান আগবঢ়াব বুলি আস্থা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত দিয়া এটা শুভেচ্ছাবাৰ্তাযোগে ভগৱান বিশ্বকৰ্মাৰ আশীষে অনাগত দিনত সমগ্ৰ ৰাষ্ট্ৰৰ বাবে সমৃদ্ধি কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰিছে।

ৰাজ্যৰ আন প্ৰান্তৰ লগতে বাক্সা জিলাৰ বিভিন্ন স্থানত শ্ৰী শ্ৰী বিশ্বকৰ্মা পূজা উপলক্ষে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। এই কৰিমগঞ্জ চহৰৰ বিভিন্ন কাৰখানাৰ উপৰি ব্যৱসায়িক প্ৰতিষ্ঠান, জিলা আয়ুক্তৰ কাৰ্যালয়কে ধৰি বিভিন্ন চৰকাৰী কাৰ্যালয়ত উৎসাহ-উদ্দীপনাৰে বিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হৈছে। আজি বিশ্বকৰ্মা পূজাৰ দিনাই তিনিচুকীয়া আৰক্ষী চকীৰ নতুন গৃহ উদ্বোধন কৰা হয়। তিনিচুকীয়া সদৰ আৰক্ষী থানাৰ অধীনত প্ৰতিষ্ঠা হোৱা ন-পুখুৰী আৰক্ষী চকীৰ নৱনিৰ্মিত ভৱন জিলাখনৰ আয়ুক্ত স্বপ্নীল পালৰ উপস্থিতিত তিনিচুকীয়াৰ আৰক্ষী অধীক্ষক অভিজিৎ গৌৰৱ দিলীপে উদ্বোধন কৰে। গোৱালপাৰা জিলাৰ আয়ুক্তৰ কাৰ্যালয়, লোক নিৰ্মাণ বিভাগ, জলসিঞ্চন, জলসম্পদ বিভাগৰ কাৰ্যালয় আদিৰ লগতে জিলাখনৰ সাংবাদিক সন্থাৰ কাৰ্যালয়তো উলহ-মালহেৰে বিশ্বকৰ্মা পূজা পালন কৰা হয়। তামুলপুৰ জিলাৰ বিভিন্ন স্থানত সৰু-ডাঙৰ প্ৰায় সকলো প্ৰতিষ্ঠানতে যান-বাহনৰ পৰা আৰম্ভ কৰি সকলো ধৰণৰ সজুঁলিৰ নিপুণতাৰ কামনা কৰি বিশ্বখনিকৰ শ্ৰীশ্ৰী বিশ্বকৰ্মাৰ প্ৰতি পূজা গবঢ়োৱা হয়। জিলা সদৰ, মটঙা চক, ঘগ্ৰাচক, মেডিকেল চক, পুৰান চক, কুমাৰীকটা, দৰঙা মেলা তথা গোৰেশ্বৰৰ বিভিন্ন প্ৰান্তত কেইবাটাও প্ৰতিষ্ঠানত বিশ্বকৰ্মা পূজা উপলক্ষে নাম-প্ৰসংগ কৰা পৰিলক্ষিত হয়।

অসম চৰকাৰে বিশ্বৰ অন্যতম বৃহৎ বিমান নিৰ্মাণ কোম্পানী এয়াৰ বাছ আৰু ৰাফেল আদিৰ দৰে বিশ্ব প্ৰসিদ্ধ যুদ্ধ বিমান নিৰ্মাণ আৰু পৰিচালনা কোম্পানী ডাছ'ৰ সৈতে ঐতিহাসিক চুক্তি স্বাক্ষৰ কৰিব। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই বিষয়ে প্ৰকাশ কৰিছে। এই চুক্তিৰ ফলত দেশৰ বিমান পৰিবহণ খণ্ডত অসমৰ ৫ হাজাৰৰো অধিক যুৱক-যুৱতীয়ে কৰ্ম-সংস্থাপনৰ সুবিধা লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে ইয়াৰ ফলত অসমৰ অৰ্থনৈতিক বুনিয়াদ শক্তিশালী হোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

নতুন দিল্লীত আজি অনুষ্ঠিত আম আদমী পাৰ্টীৰ বিধায়কসকলৰ বৈঠকত দলৰ জ্যেষ্ঠ নেত্ৰী শ্ৰীমতী আতিশীক বিধায়িনী গোটৰ নেত্ৰী হিচাপে বাছনি কৰা হয়। বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰী গোপাল ৰায়ে কয় যে পৰৱৰ্তী বিধানসভা নিৰ্বাচন

পৰ্যন্ত আতিশী মুখ্যমন্ত্ৰী হ'ব বুলি সৰ্বসন্মতিক্ৰমে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আম আদমী পাৰ্টীয়ে অহা অক্টোবৰ-নৱেম্বৰত দিল্লীত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাটো বিচাৰে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰী ৰায়ে বিজেপিয়ে আম আদমী পাৰ্টীক নিঃশেষ কৰাৰ চেষ্টা চলাইছে বুলি অভিযোগ তোলে। ইয়াৰ পূৰ্বে কাৰাগাৰৰ পৰা ওলাই অহাৰ দুদিন পাছত দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে পদত্যাগ কৰাৰ কথা ঘোষণা কৰিছিল। শ্ৰী কেজৰিৱালে আজি দিল্লীৰ উপ-ৰাজ্যপাল ভি কে ছাক্সেনাক সাক্ষাৎ কৰি পদত্যাগ পত্ৰ দাখিল কৰে।

০০০০০০০

অসমত চলিত বৰ্ষত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি বৰপেটা জিলাৰ পুনৰ নিৰ্ধাৰিত পাঁচটা সমষ্টিৰ খচৰা প্ৰকাশ কৰা হয়। বৰপেটা জিলা পৰিষদৰ কাৰ্যালয়ত মুখ্য কাৰ্যবাহী বিষয়া অৰূপ কুমাৰ পাঠকে আজি জিলাখনৰ পঞ্চায়তৰ পুনৰ নিৰ্ধাৰিত সমষ্টিৰ খচৰা প্ৰকাশ কৰে। এই অনুসৰি জিলাখনৰ বৰপেটা, মন্দিয়া, চেঙা, সৰভোগ, ভৱানীপুৰ আৰু পাকা বেতবাৰী বিধানসভা সমষ্টি সামৰি নতুন সীমা নিৰ্ধাৰণ কৰা হৈছে যদিও আঞ্চলিক পঞ্চায়তৰ সংখ্যা পূৰ্বৰ দৰে ৯ খনতে সীমাবদ্ধ আছে। একেদৰে জিলা পৰিষদ ১৯ খন আৰু গাঁও পৰিষদৰ ১০২ খন। মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে কয় যে অহা ২৭ ছেপ্তেম্বৰত চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ইয়াৰ পূৰ্বে কাইলৈৰ পৰা ২০ ছেপ্তেম্বৰলৈ খচৰাৰ ওপৰত শুনানি গ্ৰহণ কৰা হ'ব।

সমষ্টিৰ সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত চৰকাৰে জাৰি কৰা নীতি-নিৰ্দেশনা মৰ্মে প্ৰস্তুত কৰা সচৰা অনুসৰি শোণিতপুৰ জিলাৰ উন্নয়নখণ্ডৰ সংখ্যা পূৰ্বৰ ৭খনৰ ঠাইত ৮খন, গাঁও পঞ্চায়তৰ সংখ্যা ৮২ খনৰ ঠাই ৮৮ খন হৈছে। ৰাজ্য চৰকাৰৰ পঞ্চাত ও গ্ৰামোন্নয়ন বিভাগৰ নিৰ্দেশনাৰ লগত সংযোগ ঘটাই খচৰা প্ৰকাশৰ পাছৰ কামখিনি চলাই নিবৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰি দিয়া হৈছে। এই অনুসৰি কাইলৈৰ পৰা অহা ২০ ছেপ্তেম্বৰলৈকে জিলা আয়ুক্তৰ কাৰ্যালয়ত ব্যক্তিগত তথা ৰাজহুৱা দল সংগঠনৰ আবেদন গ্ৰহণ কৰা হ'ব। পৰিহিলৈ এই সন্দৰ্ভত সকলো স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ সৈতে আলোচনা অনুষ্ঠিত হ'ব। অহা ২২ ছেপ্তেম্বৰত ব্যক্তিগত তথা ৰাজহুৱা দল সংগঠনৰ পৰা পোৱা অভাৱ অভিযোগ আদিৰ আবেদনসমূহৰ পৰ্যালোচনা আৰু শুনানিৰ দিন ধাৰ্য কৰা হৈছে। শুনানি গ্ৰহণৰ পাছত প্ৰয়োজনীয় সংশোধনী আদি কৰি অহা ২৭ ছেপ্তেম্বৰত চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব বুলি জিলাৰ আয়ুক্তই সংবাদমেল যোগে জানিবলৈ দিছে। উল্লেখযোগ্য যে সীমা নিৰ্ধাৰণৰ খচৰাৰ প্ৰতিলিপি পঞ্চায়ত কাৰ্যালয়, ব্লক কাৰ্যালয় আৰু চক্ৰবিষয়াৰ কাৰ্যালয়ত সংশ্লিষ্ট সকলোৱে পঢ়িব পৰাকৈ উপলভ্য কৰা হ'ব বুলি জানিব পৰা গৈছে।

চৰাইদেউ জিলাতো ২০০১ চনৰ লোকপিয়লৰ ওপৰত ভিত্তি কৰি জিলাখনৰ অন্তৰ্গত গাঁও পঞ্চায়ত আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ পুনৰ নিৰ্ধাৰণৰ খচৰা আজি প্ৰকাশ কৰা হয়। প্ৰয়োজনীয় সাল-সলনিৰ পাছত পূৰ্বৰ দৰেই জিলাখনৰ জিলা পৰিষদ সমষ্টিৰ সংখ্যা ৭ খন, গাঁও পঞ্চায়ত সংখ্যা ৩৬ খন, ৱাৰ্ডৰ সংখ্যা ৩৬০ আৰু লোকপিয়ল গাৱৰ সংখ্যা ৩২৭ খন হৈছে। পুনৰ নিৰ্ধাৰণৰ খচৰা সন্দৰ্ভত কোনো ওজৰ আপত্তি থাকিলে অহা ২০ ছেপ্তেম্বৰৰ ভিতৰত জিলা পুনৰ নিৰ্ধাৰণ আয়োগক অৱগত কৰিব পাৰিব বুলি জিলাখনৰ আয়ুক্তই এখন সংবাদমেল যোগে জানিবলৈ দিছে।

০০০০০০০

অবৈধ অনলাইন ট্ৰেডিং গোচৰত গ্ৰেপ্তাৰ হোৱা চুমি বৰাৰ পাঁচদিনীয়া আৰক্ষী জিম্মাৰ ম্যাদ আজি অন্ত পৰাৰ পাছত ডিব্ৰুগড় সত্ৰ ন্যায়াধীশৰ আদালতে আজি আন এজন অভিযুক্ত অম্লানৰ সৈতে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। অভিযুক্ত কেইগৰাকীয়ে প্ৰথমে আৰক্ষীৰ তদন্তত সহযোগ কৰা নাছিল যদিও পাছলৈ সহযোগ কৰা বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে মুখ্যমন্ত্ৰী তদাৰকী কোষৰ গোচৰত ধুবুৰীৰ হামিদাবাদ মহাবিদ্যালয়ৰ অধ্যক্ষ চাহাদৎ আলীৰ অগ্ৰিম জামিন নাকচ কৰিছে। মহাবিদ্যালয়খনত ধনৰ অনিয়ম সম্পৰ্কত অভিযোগ উত্থাপন হোৱাৰ পাছতেই তদাৰকী কোষে গোচৰ ৰুজু কৰিছিল। এই গোচৰত গ্ৰেপ্তাৰৰ আশংকাত অধ্যক্ষজনে অগ্ৰিম জামিন বিচাৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হয়। কিন্তু এই সন্দৰ্ভত ন্যায়ালয়ত অনুষ্ঠিত শুনানি অসম চৰকাৰৰ অধিবক্তাই ২০০৯ চনৰ পৰা ২০১৯ চনলৈ মহাবিদ্যালয়খনত ধনৰ অপ-ব্যৱহাৰৰ তথ্য দাঙি ধৰে। এই তথ্যৰ পাছতে উচ্চ ন্যায়ালয়ে অধ্যক্ষজনৰ অগ্ৰিম জামিন আবেদন নাকচ কৰে।

০০০০০০০

ভাৰতে অভিলেখসংখ্যক পঞ্চমবাৰৰ বাবে পুৰুষৰ এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰিছে। চীনৰ হুলুনবুইৰত আজি বিয়লি অনুষ্ঠিত ৰোমাঞ্চকৰ ফাইনেল খেলখনত ভাৰতে আয়োজক দেশখনক ১-০ গ'লত পৰাস্ত কৰে। ভাৰতৰ হৈ যুগৰাজ সিঙে একমাত্ৰ গ'লটো দিয়ে। এই জয়ৰ সুবাদত ভাৰত এই প্ৰতিযোগিতাৰ ইতিহাসত সবাতোকৈ সফল দলৰূপে পৰিগণিত হৈছে। ভাৰতে প্ৰতিযোগিতাৰ ৮টা সংস্কৰণৰ ভিতৰত ছবাৰকৈ ফাইনেলত অৱতীৰ্ণ হৈছে আৰু ৫ বাৰ খিতাপ দখল কৰিছে। চীনে এইবাৰেই প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছিল।

০০০০০০০

**সমাপ্ত**